নিয়মীয়া বাৰ্তা, ছিপাঝাৰ, ২৩ ডিচেম্বৰ ঃ দৰং জিলাৰ হাজৰিকাপাৰা নিৱাসী শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱিকা তথা ৰ'দালি নামতি দলৰ নামতি পখিলা চহৰীয়াৰ চাৰিকুৰি বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মহিলাগৰাকীৰ মৃত্যুত শ্ৰীমন্ত শংকৰদেৱ সংঘ হাজৰিকাপাৰা প্ৰাথমিক শাখা, শ্ৰীমন্ত শংকৰদেৱ সংঘ হাজৰিকাপাৰা আঞ্চলিক সেৱা বাহিনী, ৰ'দালি নামতি দল, দক্ষিণ মঙলদৈ নাগৰিক সভা, ছিপাঝাৰ আঞ্চলিক বাতৰিকাকত বিতৰক সন্থা, সদৌ অসম বাতৰিকাকত বিতৰক হকাৰ সন্থা আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে।

সমিতিৰ উদ্যোগত কালি বৰষ্থৈ কেন্দ্ৰীয় পুথিভঁৰাল প্ৰাংগণত অনুষ্ঠিত জাতীয় শ্বহীদ আইনাল হক চৌধুৰীৰ তেইশসংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে পুথিভঁৰাল প্ৰাংগণত অৱস্থিত স্থায়ী স্মৃতিসৌধত শ্বহীদ ভাতৃৰ ফটোত মাল্যাৰ্পণ কৰি শ্বহীদগৰাকীৰ কনিষ্ঠ ভাতৃ মেহতাব চৌধুৰীয়ে জ্যেষ্ঠ ভাতৃৰ হত্যাকাৰীক চিনাক্ত কৰি উচিত শাস্তিৰ দাবী তুলি আক্ষেপেৰে কয়, তেওঁৰ জ্যেষ্ঠ ভাতৃ আইনালে গুপ্তঘাতকৰ বলি হ'বলগীয়াকৈ তেনে কোনো অপৰাধ কৰা নাছিল। সাত বছৰ বয়সতে পিতৃহাৰা হৈও নিজকে এজন সমাজসেৱক হিচাপে সমাজত প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছিল। ১৯৭২ চনত হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত কেতেকীবাড়ী গাঁৱত জন্মগ্ৰহণ কৰা আইনালে আৰ্থিক দীনতাত উচ্চ শিক্ষা গ্ৰহণৰ পৰা বিৰত আছিল। সেই সময়তে উদ্যমী যুৱকজনে জাতীয়তাবাদী ভাবধাৰাৰে জাগৰিত হৈ এসময়ৰ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বৰষ্থৈ আঞ্চলিক সমিতিত ক্ৰমে প্ৰচাৰ সম্পাদক, সাংগঠনিক সম্পাদক আৰু উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰি

যি আত্মত্যাগৰ চানেক
উদ্যমী যুৱক এগৰাকী
এই গৰাকী জাতীয় শ্ব
তেইশসংখ্যক মৃত্যু তি
বৰষ্থৈ আঞ্চলিক স
শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প
পৰিষদৰ কামৰূপ জিলা
শ্বহীদ তৰ্পণ কৰে পৰিক
প্ৰাক্তন সাধাৰণ সম্পাদক
প্ৰজ্বলন কৰে সাংবাদিক
কামৰূপ জিলা সমিতিৰ
ৰহমান আৰু উত্তৰ হাজো
সাধাৰণ সম্পাদক মহাদে
শংকৰ-মাধৱ সত্ৰৰ ভকত
বৰষ্থৈ দ্বীনি তালিম মা
আলী চাহাবৰ নেতৃত্বত
অনুষ্ঠানত পৰিষদৰ নেত
অঞ্চলৰ দুই শতাধিক ব

# হাজোৰ সুৰেন দাস কলেজত শিক্ষাৰ্থীৰ শৈক্ষিক বিনিময় অনুষ্ঠান

গুৱাহাটী, ২৩ নৱেম্বৰ ঃ হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত যোৱা ২১ ডিচেম্বৰত সুৰেন দাস মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক বিনিময় অনুষ্ঠান এটি অনুষ্ঠিত হৈ যায়। এই অনুষ্ঠানত সুৰেন দাস মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড° মন্টু ঠাকুৰীয়াই আদৰণী ভাষণ দিয়ে। অনুষ্ঠানটি সঞ্চালনা কৰে বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড° মীনা কুমাৰী দাসে। এই অনুষ্ঠানৰ শুভ উদ্বোধন কৰি সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত নাকৰ পৰিদৰ্শন সম্বন্ধীয় এটি তথ্যসমৃদ্ধ ভাষণ দিয়ে। অনুষ্ঠানটিত দুয়োখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে শংকৰদেৱৰ সাহিত্য বিষয়ৰ গৱেষণা পত্ৰ পাঠ কৰাৰ লগতে সাংস্কৃতিক অনুষ্ঠানো প্ৰদৰ্শন কৰে। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ ওপৰত দৃষ্টি ৰাখি সুৰেন দাস মহাবিদ্যালয়ৰ সাহিত্য চ'ৰাই পতা কামৰূপ জিলা ভিত্তিত চুটিগল্প প্ৰতিযোগিতাৰ পুৰস্কাৰো অনুষ্ঠানটিত বিতৰণ কৰা হয়। অনুষ্ঠানটিত সুৰেন দাস মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° আলী আকবৰ হুছেইনেও বক্তব্য ৰাখে। ড° বিনীতা বৈশ্য, ৰাহুল কুলিয়ে সুৰেন দাস মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ তৰফৰ পৰা ভাষণ দিয়ে।

## ...ভূমিত জিলিকিছে হালধীয়া ফুল

# ...নৰ সপোন নগাঁৱৰ কৃষকৰ

...কৰিছে। কৃষকে কৰা সৰিয়হ ...লহপহকৈ বাঢ়ি এক মনোৰম ...কৰিছে। উল্লেখ যে চৰকাৰে ...উন্নয়নৰ বাবে বিভিন্ন ধৰণৰ ...আঁচনি গ্ৰহণ কৰিছে যদিও ...বহু অঞ্চলৰ কৃষকক এই ... আজিও ঢুকি পোৱা নাই। ...বে প্ৰয়োজনীয় আঁচনি হ'ল জলসিঞ্চন ব্যৱস্থা। জিলাখনত এছিয়া মহাদেশৰ ভিতৰত দ্বিতীয় সৰ্ববৃহৎ জলসিঞ্চন আঁচনিকে ধৰি বহুকেইখন জলসিঞ্চন আঁচনি আছে যদিও এই আঁচনিসমূহে জিলাখনৰ অধিকাংশ কৃষকৰেই চাহিদা পূৰণ কৰিব পৰা নাই। বহুকেইখন জলসিঞ্চন আঁচনি বিকল হৈ আছে। সৰিয়হ খেতিৰ বাবে বৰষুণৰ প্ৰয়োজন যদিও এইবাৰ অক্টোবৰ মাহৰ পৰা বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাত কৃষকসকল সমস্যাৰ সন্মুখীন হৈছে। নৱেম্বৰ-ডিচেম্বৰ মাহত জিলাখনত বৰষুণ নহ'লেই। তদুপৰি চৰকাৰে সাৰ আৰু বীজ যোগান ধৰে যদিও এইবাৰ জিলাখনলৈ সাৰ আৰু বীজ চৰকাৰে কমকৈ যোগান ধৰিছে। জিলাখনৰ সৰিয়হ খেতি কৰা কৃষকসকলৰ বাবে প্ৰয়োজনীয় বীজ এইবাৰ চৰকাৰে উপযুক্তভাৱে যোগান ধৰিব নোৱাৰিলে। তদুপৰি জিলাখনৰ কৃষি বিভাগৰ হাতত সাৰ মজুত নাই। যাৰবাবে কৃষকসকলে এইবাৰ বীজ আৰু সাৰ বজাৰৰ পৰা ক্ৰয় কৰিব লগা হৈছে। ৰাসায়নিক সাৰ অত্যধিক মূল্যত ক্ৰয় কৰিব লগা হোৱাত কৃষকসকল আন এক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। তাৰ মাজতো জিলাখনৰ কৃষকসকলে এতিয়া কেইবাহাজাৰ হেক্টৰ কৃষিভূমিত সৰিয়হ খেতি কৰি উপাৰ্জনৰ সপোন দেখিছে। এই কৃষকসকলে খেতি কৰাৰ পৰ্যাপ্ত পৰিমাণৰ সুবিধা প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনাইছে।



ঈ...

নিয়মী...
অনা...
সম্বৰ্ধন...
আহমে...
হয়। বি...
হৈছে।...
উল্লা...
অৰ্জন...
'মৌলা...
পৰীক্ষা...
উচ্চ...
USTM...
আৰু...
হয়। দ...
আৰু...
সম্বৰ্ধন...
সম্পাদ...
শিক্ষাৰ...
এলএল...
এলএল...
নীলবা...
চলাবলৈ...
শিক্ষাৰ...
দায়িত্বে...
শিক্ষাগু...
আজম...
ফাউণ্ডে...
ছিৰাজু...